জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫০/২০২১

# বিশিষ্ট কণ্ঠশিল্পী, সংগীত পৰিচালক ভবেন শইকীয়াৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৩ জানুৱাৰী ঃ** বিশিষ্ট কণ্ঠশিল্পী, সংগীত পৰিচালক ভবেন শইকীয়াৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰয়াত ভবেন শইকীয়াই আমাৰ সাংস্কৃতিক জগতলৈ যি অৱদান আগবঢ়াই গৈছে সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। এগৰাকী সংগীত পৰিচালক হিচাপেও তেখেতে সাংস্কৃতিক ক্ষেত্ৰখনলৈ অনন্য অৱদান আগবঢ়াই গৈছে। তেখেতৰ সৃষ্টিৰাজিয়ে অসমীয়া সংগীত জগতক সদায়ে উদ্বুদ্ধ কৰি যাব। এইগৰাকী বিশিষ্ট কণ্ঠশিল্পীৰ বিয়োগ আমাৰ সমাজ তথা সাংস্কৃতিক জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ভবেন শইকীয়াৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ**
**২৩/০১/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in